**2023**

# PHILOSOPHY

( Honours Core )

Paper : PHI–HC–4016

**( Contemporary Indian Philosophy )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* Name the author of the book, *The Synthesis of Yoga.*

*The Synthesis of Yoga* গ্ৰন্থখনৰ লিখকজনৰ নাম লিখা।

*(b)* Mention any one form of Satyagraha.

সত্যাগ্ৰহৰ যি কোনো এটা প্ৰকাৰ উল্লেখ কৰা।

*(c)* Sri Aurobindo's Philosophy is also known as _____ Yoga.

( Fill in the blank )

শ্ৰীঅৰবিন্দৰ দৰ্শনক _____ যোগ বুলিও জনা যায়।

( খালী ঠাই পূৰণ কৰা )

*(d)* What is the meaning of 'Sarvodaya' according to Gandhi?

গান্ধীৰ মতে 'সৰ্বোদয়'ৰ অৰ্থ কি?

*(e)* "Swami Vivekananda gives more emphasis on the path of action." Is it true?

"স্বামী বিবেকানন্দই কৰ্মমাৰ্গৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।" এইটো সঁচানে?

*(f)* "Education is the manifestation of the perfection already in man." Who made this statement?

"মানুহৰ মাজত ইতিমধ্যে নিহিত থকা পূৰ্ণতা বা মহত্ত্বৰ প্ৰকাশেই হ'ল শিক্ষা।" কথাষাৰ কোনে কৈছিল?

*(g)* Who is the author of the book, *An Idealist View of Life*?

*An Idealist View of Life* গ্ৰন্থখনৰ লেখক কোন?





*(h)* "Ultimate human destiny is not individual redemption but universal redemption (Sarvamukti)." Name the philosopher associated with this statement.

"মানৱৰ চৰম লক্ষ্য ব্যক্তিগত মুক্তি বা মোক্ষ নহয় বৰং সৰ্বমুক্তিহে ইয়াৰ চৰম লক্ষ্য।" এই উক্তিটোৰ লগত জড়িত দাৰ্শনিকজনৰ নাম লিখা।

*(i)* "According to Radhakrishnan, intellect depends on intuition for self-consciousness." Is the statement true?

"ৰাধাকৃষ্ণনৰ মতে আত্মচেতনাৰ বাবে বুদ্ধিয়ে অন্তৰ্জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে।" কথাষাৰ সত্যনে?

*(j)* Swami Vivekananda was influenced by Buddhism. Is it true?

স্বামী বিবেকানন্দই বৌদ্ধ দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈছিল। এইটো সত্যনে?

**2.** Answer the following questions briefly : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

*(a)* Mention two special qualities of a Satyagrahi.

এজন সত্যাগ্ৰহীৰ দুটা বিশেষ গুণ উল্লেখ কৰা।

(b) State two criticisms of Gandhi against industrialization.

ঔদ্যোগীকৰণৰ বিৰুদ্ধে গান্ধীৰ দুটা সমালোচনা উল্লেখ কৰা।

(c) Mention two limitations of intellect according to Radhakrishnan.

ৰাধাকৃষ্ণনৰ মতে বুদ্ধিৰ দুটা সীমাবদ্ধতা উল্লেখ কৰা।

(d) State two objections against Sri Aurobindo's theory of evolution.

শ্ৰীঅৰবিন্দৰ বিৱৰ্তনবাদৰ বিৰুদ্ধে থকা দুটা আপত্তি উল্লেখ কৰা।

(e) Mention two characteristics of Non-Violence.

অহিংসাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Vivekananda's view on Philosophy of Education

শিক্ষাৰ দৰ্শন সম্পৰ্কে বিবেকানন্দৰ অভিমত





(b) The concept of Sarvodaya

সৰ্বোদয়ৰ ধাৰণা

(c) Radhakrishnan's conception of human destiny

মানৱৰ গন্তব্য স্থান সম্পৰ্কে ৰাধাকৃষ্ণনৰ ধাৰণা

(d) Integral Yoga of Sri Aurobindo

শ্ৰীঅৰবিন্দৰ সৰ্বাংগীণ যোগ

(e) Gandhi's view on religion

ধৰ্ম সম্পৰ্কে গান্ধীৰ অভিমত

(f) Gandhi's concept of trusteeship

গান্ধীৰ ন্যাস বা ট্ৰাষ্টিশ্বিপৰ ধাৰণা

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the salient features of Sri Aurobindo's theory of evolution.

শ্ৰীঅৰবিন্দৰ বিৱৰ্তনবাদৰ প্ৰধান বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(b) Explain after Radhakrishnan the nature of intuition. Is intuition anti-intellectual? Discuss.

ৰাধাকৃষ্ণনৰ মতে অন্তৰ্জ্ঞান বা স্বজ্ঞাৰ স্বৰূপ ব্যাখ্যা কৰা। অন্তৰ্জ্ঞান বুদ্ধিৰ বিৰোধীনে? আলোচনা কৰা।

*(c)* Explain how Vivekananda has made the transition from Advaita Vedanta to practical Vedanta.

বিবেকানন্দই কিদৰে অদ্বৈত বেদান্তক ব্যৱহাৰিক বেদান্তলৈ ৰূপান্তৰ কৰিছে, ব্যাখ্যা কৰা।

*(d)* Explain Gandhi's statement "Non-Violence is the law of the species". Why does he stress the inseparability of truth and non-violence? Discuss.

"অহিংসা সকলো জীৱৰে ধৰ্ম।" গান্ধীৰ এই কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা। সত্য আৰু অহিংসাৰ মাজত থকা অবিচ্ছেদ্য সম্বন্ধৰ ওপৰত তেওঁ কিয় অধিক গুৰুত্ব আৰোপ কৰিছে? আলোচনা কৰা।

*(e)* Is universal religion possible? Discuss Swami Vivekananda's view.

সাৰ্বজনীন ধৰ্ম সম্ভৱনে? এই ক্ষেত্ৰত স্বামী বিবেকানন্দৰ অভিমত আলোচনা কৰা।

*(f)* Bring out the significance of Sri Aurobindo's concept of supermind.

শ্ৰীঅৰবিন্দৰ অতিমানসৰ (supermind) ধাৰণাটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।





*(g)* What is religious experience according to Radhakrishnan? Explain the characteristics of religious experience.

ৰাধাকৃষ্ণনৰ মতে ধৰ্মীয় অভিজ্ঞতা কাক বোলে? ধৰ্মীয় অভিজ্ঞাতাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*(h)* Write an essay on Gandhi's concept of Swadeshi.

গান্ধীৰ স্বদেশীৰ ধাৰণাটোৰ বিষয়ে এখন ৰচনা লিখা।

★★★

# 2023

## PHILOSOPHY

( Honours Core )

Paper : PHI–HC–4026

**( Philosophy of Religion )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* What is the meaning of the term 'Religare'?

'Religare' শব্দটোৰ অৰ্থ কি ?

*(b)* What is the cognitive element of religion?

ধৰ্মৰ জ্ঞানাত্মক বা বৌদ্ধিক উপাদানটো কি ?

*(c)* "A little science takes us away from religion but a little more science bring us back to it." Who said this statement?

"অলপীয়া বিজ্ঞানে আমাক ধৰ্মৰ পৰা আঁতৰাই নিয়ে; কিন্তু বিজ্ঞানৰ প্ৰাচুৰ্যই আমাক পুনৰ ধৰ্মলৈ লৈ যায়।" এই উক্তিষাৰ কোনে কৈছিল?

*(d)* What is the first cause according to Aquinas?

একুইনাচৰ মতে প্ৰথম বা আদি কাৰণটো কি?

*(e)* Is determinism a doctrine of universal causation?

নিয়তিবাদ সাৰ্বিক কাৰণতাবাদ হয়নে?

*(f)* Name the theory which states that human will is free.

মানুহৰ ইচ্ছাসমূহ স্বতন্ত্ৰ বুলি কোৱা তত্ত্বটোৰ নাম উল্লেখ কৰা।

*(g)* "Religious languages are symbolic." Who is the propounder of this view?

"ধৰ্মীয় ভাষাবোৰ প্ৰতীকাত্মক।" এই মতৰ প্ৰবক্তা কোন?





*(h)* "Religious propositions are meaningless." Mention the name of the theory that propounded this view.

"ধৰ্মীয় উক্তিবোৰ অৰ্থহীন।" এই মন্তব্য আগবঢ়োৱা মতবাদটোৰ নাম উল্লেখ কৰা।

*(i)* Who is the founder of Neo-Vaishnavism of Assam?

অসমৰ নৱ-বৈষ্ণৱবাদৰ প্ৰৱৰ্তক কোন?

*(j)* Did Shankaradeva believe in incarnation?

শংকৰদেৱে অৱতাৰত বিশ্বাস কৰিছিলনে?

**2.** Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Give D. M. Edwards' definition of religion.

ডি. এম. এডৱাৰ্ডৰ ধৰ্মৰ সংজ্ঞা দিয়া।

*(b)* Write two utilities of religon.

ধৰ্মৰ দুটা উপযোগিতা লিখা।

(c) Mention two bases of religious faith.

ধৰ্মীয় বিশ্বাসৰ দুটা ভিত্তি উল্লেখ কৰা।

(d) Mention any two distinctions between Symbol and Sign according to Tillich.

তিলিকৰ মতানুসাৰে প্ৰতীক আৰু চিহ্নৰ যি কোনো দুটা পাৰ্থক্য উল্লেখ কৰা।

(e) Name any two ancient Vaishnavists.

যি কোনো দুজন প্ৰাচীন বৈষ্ণৱবাদীৰ নাম উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a short note on religion and philosophy of religion.

ধৰ্ম আৰু ধৰ্মদৰ্শনৰ ওপৰত এটি চমু টোকা লিখা।

(b) Is there any conflict between Science and Religion? Discuss briefly.

বিজ্ঞান আৰু ধৰ্মৰ মাজত কোনো সংঘাত আছেনে? চমুকৈ আলোচনা কৰা।





(c) Can the existence of God be rationally proved? Discuss briefly.

ঈশ্বৰৰ অস্তিত্ব যুক্তি বিচাৰেৰে প্ৰমাণ কৰিব পাৰিনে? চমুকৈ আলোচনা কৰা।

(d) Briefly explain the nature of religious belief.

ধৰ্মীয় বিশ্বাসৰ স্বৰূপ বা প্ৰকৃতি চমুকৈ ব্যাখ্যা কৰা।

(e) Write a short note on immortality of Soul.

আত্মাৰ অমৰত্ব সম্পৰ্কে এটি চমু টোকা লিখা।

(f) Write a short note on religious languages.

ধৰ্মীয় ভাষা সম্পৰ্কে এটি চমু টোকা লিখা।

4. Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Discuss the scope or subject matter of philosophy of religion.

ধৰ্মদৰ্শনৰ পৰিসৰ বা আলোচ্য বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

What is religion? What are the characteristics of religion? Discuss.

ধৰ্ম কি? ধৰ্মৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*(b)* What are the traditional proofs for the existence of God? Explain them briefly.

ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় পৰম্পৰাগত যুক্তিসমূহ কি কি? সেইবোৰ চমুকৈ আলোচনা কৰা।

*Or / অথবা*

Discuss critically the role of reason and revelation in religious experience.

ধৰ্মীয় অভিজ্ঞতাত বিচাৰবুদ্ধি আৰু দৈৱ-প্ৰকাশৰ ভূমিকা সমালোচনা সহকাৰে আলোচনা কৰা।

*(c)* Write an essay on Freedom and Determinism.

স্বতন্ত্ৰবাদ আৰু নিয়তিবাদৰ ওপৰত এখন ৰচনা লিখা।

*Or / অথবা*

What is symbol? What are the characteristics of symbol advanced by Paul Tillich? Discuss.

প্ৰতীক কাক বোলে? পল তিলিকে আগবঢ়োৱা প্ৰতীকৰ বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰা।

*(d)* Explain and examine materialistic theory of religion.

ধৰ্ম-সম্পৰ্কীয় জড়বাদী মতবাদটো ব্যাখ্যা আৰু পৰীক্ষা কৰা।





*Or / অথবা*

Write a note on Shankaradeva's concept of Bhakti.

শংকৰদেৱৰ ভক্তিৰ ধাৰণাৰ ওপৰত এটি টোকা লিখা।

★★★

**2023**

# PHILOSOPHY

## ( Honours Core )

Paper : PHI–HC–4036

**( Political and Social Philosophy )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Answer the following questions : 1×10=10
তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What is the literal meaning of 'Liberty'?
'Liberty'ৰ আক্ষৰিক অৰ্থ কি ?

(b) Who is the author of the book, *Republic*?
*Republic* গ্ৰন্থখনৰ লিখক কোন ?

(c) What is the literal meaning of 'Anarchism'?
'Anarchism'ৰ আক্ষৰিক অৰ্থ কি ?

(d) Was Gandhi an anarchist?
গান্ধী এজন নৈৰাজ্যবাদীনে ?

(e) Who did at first use the term 'Theocracy'?
'Theocracy' শব্দটো সৰ্বপ্ৰথম কোনে ব্যৱহাৰ কৰিছিল ?

(f) What is 'Monarch'?
'Monarch' মানে কি ?

(g) What is the etymological meaning of the term 'Democracy'?
'Democracy' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(h) Who is considered as the father of Humanism?
মানৱতাবাদৰ জনক বুলি কাক বিবেচনা কৰা হয়?

(i) Mention the name of any one multiculturalist philosopher.
যি কোনো এগৰাকী বহুসংস্কৃতিবাদী দাৰ্শনিকৰ নাম উল্লেখ কৰা।

(j) "Secularism is the anti-thesis of theocracy." Is it correct?
"ধৰ্মনিৰপেক্ষতাবাদ হৈছে ধৰ্মতন্ত্ৰৰ বিৰোধী ধাৰণা।" এইটো সত্যনে?

2. Answer the following questions : 2×5=10
তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) State any two economic rights.
যি কোনো দুটা অৰ্থনৈতিক অধিকাৰ উল্লেখ কৰা।

(b) What are the two types of justice according to Aristotle?
এৰিষ্টটলৰ মতে ন্যায়পৰায়ণতাৰ ভাগ দুটা কি কি?

(c) Mention two differences between Hegel's and Marx's dialectical method.
হেগেল আৰু মাৰ্ক্সৰ দ্বন্দ্বাত্মক পদ্ধতিৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(d) What are the two types of theocracy according to Garner?
গাৰ্ণাৰৰ মতে ধৰ্মতন্ত্ৰৰ ৰূপ দুটা কি কি?

(e) What is meant by polyethnic right?
বহুগোষ্ঠীয় অধিকাৰৰ দ্বাৰা কি বুজোৱা হৈছে?





3. Answer any *four* of the following questions : 5×4=20
তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) "Right implies duty." Explain briefly.
"অধিকাৰে কৰ্তব্যক সূচায়।" চমুকৈ ব্যাখ্যা কৰা।

(b) State five arguments in favour of socialism.
সমাজবাদৰ সপক্ষে থকা পাঁচটা যুক্তি উল্লেখ কৰা।

(c) Mention five conditions for the success of democracy.
গণতন্ত্ৰৰ সফলতাৰ পাঁচটা চৰ্ত উল্লেখ কৰা।

(d) Write a short note on the demerits of monarchy.
ৰাজতন্ত্ৰৰ দোষ বা অসুবিধাবোৰৰ বিষয়ে এটি চমু টোকা লিখা।

(e) Is India a secular State? Explain briefly.
ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হয়নে? চমুকৈ ব্যাখ্যা কৰা।

(f) Mention five characteristics of humanism.
মানৱতাবাদৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

4. Answer the following questions : 10×4=40
তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What is justice? Explain the different kinds of justice.
ন্যায় কাক বোলে? ন্যায়ৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

*Or / নাইবা*

What is liberty? What are its different types? Explain.

স্বতন্ত্ৰতা কাক বোলে? স্বতন্ত্ৰতাৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? ব্যাখ্যা কৰা।

*(b)* What is Marxism? Write an essay on Marxism.
মাৰ্ক্সবাদ কি? মাৰ্ক্সবাদৰ ওপৰত এখন ৰচনা লিখা।

*Or / নাইবা*

Explain and examine anarchism as a political ideology.
ৰাজনৈতিক আদৰ্শ হিচাবে নৈৰাজ্যবাদ তত্ত্বটো ব্যাখ্যা আৰু পৰীক্ষা কৰা।

*(c)* What is democratic system? What are its merits and demerits? Explain.
গণতান্ত্ৰিক ব্যৱস্থা কি? ইয়াৰ সুবিধা আৰু অসুবিধাসমূহ কি কি? ব্যাখ্যা কৰা।

*Or / নাইবা*

Explain and examine theocracy as a form of government.
চৰকাৰৰ এটা ৰূপ হিচাবে ধৰ্মতন্ত্ৰৰ বিষয়ে ব্যাখ্যা আৰু পৰীক্ষা কৰা।

*(d)* What is humanism? Explain various forms of humanism.
মানৱতাবাদ কাক বোলে? মানৱতাবাদৰ বিভিন্ন ৰূপসমূহ ব্যাখ্যা কৰা।

*Or / নাইবা*

What is multiculturalism? Is India a multiculturalist country? Explain.
বহুসংস্কৃতিবাদ কাক বোলে? ভাৰতবৰ্ষ এখন বহুসংস্কৃতিবাদী দেশ হয়নে? ব্যাখ্যা কৰা।

★★★